# অসমীয়া লোককলা—গামোচাৰ ফুল, ম'টিফ আৰু নন্দনতত্ত্ব বিচাৰ

**দীপাংকৰ ঠাকুৰীয়া**

অসমৰ লোকশিল্পকলাৰ ৰূপ আৰু বিচিত্ৰতা অধিক। ইয়াৰ ভঁৰাল মেটমৰা, চহকী। ধানখেৰেৰে সজা সামগ্ৰীৰে আৰম্ভ কৰি চিত্ৰকলালৈকে অসমৰ ভৌগোলিক আৱেষ্টনীত বসবাস কৰা ভিন ভিন জনগোষ্ঠীৰ ভিন ভিন শিল্পকৰ্মত দক্ষতা আৰু নিপুণতা অৰ্জন কৰিছে। এই বিভিন্ন জনগোষ্ঠীৰ মানসিক তথা শৈল্পিক ভাবধাৰাৰ মিলন-বিৰোধ, মিশ্ৰণ আৰু ভাববিন্যাসসমূহৰ ৰূপ পৰিৱৰ্তনৰ পথেদি গঢ় লৈ উঠা অখণ্ড নৱৰূপটোৱেই বৰ্তমানৰ বৃহত্তৰ অসমীয়া সমাজৰ স্বকীয় কলা। এই অখণ্ডতা অসমৰ চাৰু আৰু কাৰু শিল্প, গহনা-গাঁঠৰি, মৃৎশিল্প, কাঠ-বাঁহ-কুঁহিলাৰ শিল্প, শিল খোদাই, কাঁহ-পিতল অথবা হাতীদাঁতৰ শিল্প, গৃহ নিৰ্মাণ তথা কাপোৰ-কানিত থকা ফুলৰ চানেকি—এই সকলোতে বিৰাজমান। এই প্ৰতিটো শিল্পৰ মাজত বিৰাজমান ভাবনাখিনি মানুহৰ চামে চামে এটা স্তৰৰ পৰা আনটো স্তৰলৈ মৌখিকভাৱে (verbally) আৰু অনুকৰণৰ দ্বাৰা (by immitation) ধাৱমান। পুৰুষানুক্ৰমে বা মাতৃ-মাতামহ অনুক্ৰমে এই কলাখিনিয়ে গতি কৰে। আমাৰ এই লেখাত অসমীয়া বয়ন শিল্পৰ অতিকৈ গাম্ভীৰ্যপূৰ্ণ বস্ত্ৰ গামোচাখনৰ ফুলৰ চানেকিৰ ৰূপাংগ বা প্ৰতীকলেখৰ (motif) এটি চমু আলোচনাহে কৰিম। গামোচাৰ কাৰণে সূতা কটা, শুকুৱা, পগোৱা, ৰং বোলোৱা, আঁচুসূতা তৈয়াৰ কৰা, তাঁত বোৱা, ফুল বছা আদি কেইবাটাও দিশ ইয়াত সন্নিৱিষ্ট কৰাত অসুবিধা। সেয়েহে সাজপাৰৰ অধ্যয়নত মন কৰিবলগীয়া তিনিটা প্ৰধান কথা, যথা—ঐতিহ্য, ব্যৱহাৰ উপযোগিতা আৰু আকৰ্ষণৰ ভিতৰত অকল আকৰ্ষণকহে বিচাৰ কৰা হ'ল। তাৰ মূল কাৰণ হ'ল গামোচাৰ বৰণ, পাৰি আৰু আঁচুৰ ফুলে সকলোৰে দৃষ্টি আকৰ্ষণ কৰে। স্থানভেদে গামোচাৰ ৰঙৰ ভিন্নতা দেখা যায়, বহুলভাৱে প্ৰচলিত আৰু আকৰ্ষণীয় ৰঙৰ সমাহাৰ ঘটে বগা ৰঙত ৰঙা পাৰিযুক্ত ফুলবছা গামোচাখনে। ইয়াৰ ৰূপ বিশ্ব শিল্পকলাতেই অদ্বিতীয় আৰু যিকোনো লোকশিল্প ৰূপৰ লগত ফেৰ মাৰিব পৰা। ইয়াত নিহিত হৈ আছে অসমীয়া শিপিনীৰ পৰম্পৰাগত নান্দনিক চেতনা। মানুহৰ দৃষ্টি আকৰ্ষণ কৰিব পৰা গুণ প্ৰদান কৰিবলৈ অসমীয়া শিপিনীয়ে নানান কৌশল অৱলম্বন কৰি আহিছে। এশ, ডেৰশ, তিনিশ কাঠীৰ গামোচাত নিজৰ বিচাৰেৰে এথোকা ফুল বাছিবলৈ অসমীয়া শিপিনীয়ে খুব পৰিশ্ৰম কৰিবলগীয়া হয়। পোন্ধৰ তলাৰ পকোৱা সূতা এডাল এডালকৈ বেঁকামূৰীয়া বা ৰাঁচভৰোৱাৰে ৰাঁচৰ শৰে (খাটি) ভৰাই দুফালৰ পাৰি আৰু মাজৰ আয়তাকাৰ অংশৰ সাঁচ তৈয়াৰ কৰে। দীঘৰ পাৰিত ১/২ ইঞ্চি—৩/৪ ইঞ্চি বহল ৰঙা ৰেখা তিনিডালেই হ'ল 'চটিয়া'। এই 'চটিয়া'ৰ মাজত দুডলীয়াকৈ থকা তিনিডাল ৰেখাক 'পুলি' বুলি কোৱা হয়। এই দীঘৰ সাঁচৰ সূতাখিনি টোলোঠাত মেৰিয়াই চুঙাত ব তুলি উলম্বভাৱে দীঘৰ সূতাৰ মাজেদি লগোৱাটো অতি সহজ কাম নহয়। ধৈৰ্য, একাগ্ৰতা আৰু নিপুণতা খুবেই প্ৰয়োজনীয়। বিভিন্ন পৰ্যায়ৰ পাছত যেতিয়া চিৰি আৰু শলি মাৰিৰে দীঘৰ সূতাত বাণীৰ সূতাৰ কাৰণে ফুলৰ চানেকিৰ অৱয়ব তোলে, তেতিয়াই অসমীয়া শিপিনীগৰাকীৰ মনত আহি পৰে উদ্দেশ্য আৰু নান্দনিকতাৰ অনুভূতি—কি ফুল তুলিব, কাৰ বাবে তুলিব, ক'ত কেতিয়া ব্যৱহাৰ কৰিব। ৰূপ আৰোপিত কৰা এই বৈশিষ্ট্যখিনি শিপিনী এগৰাকীৰ নিজা যদিও তাত প্ৰত্যক্ষ প্ৰভাৱ পৰে—কাৰ পৰা তেওঁ ফুল বছা শিকিছে! নিশ্চয় মাকৰ পৰা, মাকে আইতাকৰ পৰা। গতিকে ৰূপাংকনৰ (Design) মূল ঠগটো বা গঢ়টো অক্ষত থাকি এটা প্ৰজন্মৰ পৰা আনটো প্ৰজন্মলৈ বিভিন্ন ম'টিফেও গতি কৰে। গাঁৱৰ গাভৰুজাকৰ ইজনীয়ে সিজনীৰ তাঁতৰ পৰাও নতুন নতুন ডিজাইন অনুকৰণ কৰি তাৰ অনুকৃতি নিজৰ তাঁতত বয়—কিছু ভিন্ন চিন্তাৰে। এনেকৈ তাঁত বাগৰি ৰূপাৰোপৰ যোগেদি ডিজাইন সংমিশ্ৰণো হোৱা দেখা যায়। তথাপি অসমীয়া শিপিনীৰ তাঁতৰ গামোচাৰ মূল সত্তাটো একেই আছে। এইখিনিতে ক্ষেত্ৰ অধ্যয়নত লাভ কৰা অভিজ্ঞতাৰ পৰা এটা গুৰুত্বপূৰ্ণ কথাত প্ৰতীয়মান যাওঁ যে স্থানৰ পাৰ্থক্যৰ কাৰণে কিছুমান ম'টিফৰ ডিজাইনৰ ভিন্নতা আহিছিল। কোনো এখন গাঁৱৰ কাজী শিপিনী এগৰাকীয়ে দূৰণিবটীয়া অইন এখন গাঁৱত বিয়া হৈ যোৱাৰ লগে লগে সেই স্থানৰ পৰা শিকা কিছুমান ডিজাইনেও লগতে অইন গাঁওখনলৈ পৰিভ্ৰমণ কৰিছিল, এনেদৰে অসমৰ গামোচাৰ ম'টিফসমূহত নতুনত্ব আহিছিল।

অসমীয়া শিপিনীয়ে নিজৰ পৰম্পৰাগত ফুলৰ চানেকি বা ডিজাইনসমূহ হেৰাই নাযাবলৈ প্ৰথম পৰ্যায়ত ন-শিপিনীক কলপাতত ফুল আঁকি শিকাইছিল, তাৰ পাছতেই তামোলৰ ঢকুৱাত এই ডিজাইনসমূহ সংৰক্ষণ কৰিছিল। ডিজাইনৰ কেটেলগ এখন তৈয়াৰ কৰি প্ৰজন্মলৈ সাঁচি ৰাখিবলৈ তেওঁলোকে অৱলম্বন কৰিছিল বাঁহৰ পাতল মিহি তঙাল বা খেৰ ঘাঁহৰ সৈতে শকত সূতাৰ বোৱন পদ্ধতি, অসমীয়া সমাজত ই 'ঘাই' বা 'কাঠী চানেকি' বুলি প্ৰচলিত আছিল। সেয়েহে ঐতিহ্যবহনকাৰী ম'টিফবোৰ হেৰাই যোৱা নাছিল। বৰ্তমান এনেধৰণৰ সংৰক্ষণ ব্যৱস্থা নাই যদিও পৰৱৰ্তী সময়ত বেজিৰে নেট কাপোৰত আৰু বৰ্তমান গ্ৰাফ কাগজত কিছু ডিজাইন সংৰক্ষণৰ ব্যৱস্থা কৰা হৈছে।

অসমীয়া গামোচাৰ চানেকিত শিপিনীয়ে সকলো ধৰণৰ ম'টিফ বা প্ৰতীকলেখেৰে নিৰ্মাণ কৰা ডিজাইনক 'ফুল' বুলিয়েই কয়। সেই 'ফুল'ৰ ভিতৰত গছ, ফুল, পাত, এপাহ ফুলৰ চৌপাশে বছা সৰু-বৰ জীৱজগত, বস্তুজগত, তাৰকাজগতৰ জ্যামিতিক ৰূপ। হীৰাখণ্ডাকৃতি, ত্ৰিভুজাকৃতি, বৃত্তাকাৰ, অৰ্ধবৃত্তাকাৰ, চতুৰ্ভুজাকৃতিৰ জ্যামিতিক নক্সা, হৰিণ, হাতী, গঁড়, ভাটৌ, ম'ৰা চৰাই, পখিলা, জাপি, শৰাই, গছা, ঢোল-পেঁপা, গহনা—দুগদুগী, জোনবিৰি আদিও ফুলৰ ভিতৰতে ধৰা হয়। আঁচুৰ ফুলথোকাৰ বৈশিষ্ট্য হ'ল যে ইয়াত মূল ম'টিফৰ পুনৰাবৃত্তিৰ লগে লগে সৃষ্টি হোৱা খালী ঠাই আন ম'টিফেৰে পূৰাই দিয়া হয়, সেই ম'টিফৰো পুনৰাবৃত্তি ঘটি একোধাৰি মালা বা লতা, তৰাৰ থূল আদিৰ আকাৰ লয়; অৰ্থাৎ আঁচুৰ ফুলত খালী ঠাই নাথাকে, ই পৰিপূৰ্ণ। পুনৰাবৃত্তিৰ যোগেদি ম'টিফৰ ন-ৰূপ প্ৰদান কৰা গামোচাৰ শিল্প সুষমাৰ এয়া অনবদ্য নিদৰ্শন। আঁচুফুলৰ দুয়োকাষে সৰু সৰু ফুলৰ পুনৰাবৃত্তি ঘটি লতা-ফুলৰ দুডাল ডিজাইনক কাষৰি বোলে।